# গুৱাহাটী উচ্চ ন্যায়ালয়

(আসাম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশ উচ্চ ন্যায়ালয়)

গোচৰ নম্বৰ : লেখ আবেদন (দেৱানী) ২৪১/২০১৫

উপেন ৰংপি আৰু অন্যান্য ৩ জন

পিতৃ: প্ৰয়াত বুদ্ধি ৰাম ৰংপি, সংমণ্ডল গাণনিক বিষয়া,

অসম ৰাজ্যিক পৰিবহন নিগম, চিটি চাৰ্ভিচ, গুৱাহাটী-৩২, ৰূপনগৰ,

ঠিকনা: জ্যোতিকুছি ধাপলিয়া, ডাকঘৰ: স্বকুছি, থানাঃ ফটাশিল আমবাৰী,

জিলা: কামৰূপ মেট্ৰ', অসম।

২. ৰমেশ চন্দ্ৰ বৰ্মণ

পিতৃ: প্ৰয়াত বৰ্মণ

সংমণ্ডল গাণনিক বিষয়া

আছটিচি'ৰ পৰিচালন সঞ্চালকৰ কাৰ্যালয়

মূখ্য কাৰ্যালয়, পল্টন বজাৰ, গুৱাহাটী-৮।

৩. ঘনশ্যাম মন্তা

পিতৃ: শ্ৰী বি. মন্তা

সংমণ্ডল গাণনিক বিষয়া

আছটিচি'ৰ পৰিচালন সঞ্চালকৰ কাৰ্যালয়

মূখ্য কার্যালয়, পল্টন বজাৰ, গুৱাহাটী-৮।

৪. অতুল চন্দ্ৰ বৰ্মণ

পিতৃ: প্ৰয়াত নবিন চন্দ্ৰ বৰ্মণ

সংমণ্ডল গাণনিক বিষয়া

আছটিচি'ৰ পৰিচালন সঞ্চালকৰ কাৰ্যালয়

মূখ্য কার্যালয়, ডাকঘৰ- পল্টন বজাৰ, গুৱাহাটী-৮।

বনাম

অসম ৰাজ্যিক পৰিবহন নিগম আৰু ১৩ জন অন্যান্য

প্ৰতিনিধি: ইয়াৰ অধ্যক্ষ, মূখ্য কার্যালয়, পল্টন বজাৰ, গুৱাহাটী-৬।

২. পৰিচালন সঞ্চালক, আছটিচি, মূখ্য কার্যালয়, পল্টন বজাৰ, গুৱাহাটী-৬।

৩. উপ-মুখ্য মেনেজাৰ তথা চিফ পাৰ্চেছিং অফিচাৰ, আছটিচি, পল্টন বজাৰ, গুৱাহাটী-৮।

৪. মিত্ৰদেৱ চাংকাকতি , ইষ্টেট অফিচাৰ , ডিভিজনেল সুপাৰিন্টেণ্ডেণ্টৰ কাৰ্যালয় , আছটিচি, তিনিচুকীয়া, ডাকঘৰ আৰু জিলা: তিনিচুকীয়া, অসম, পিন-৭৮৬১২৫।

৫. বিৰেন বৰঠাকুৰ , জ্যেষ্ঠ গাণনিক বিষয়া , আছটিচি'ৰ পৰিচালন সঞ্চালকৰ কাৰ্যালয় , পল্টন বজাৰ, গুৱাহাটী-৬।

৬. দীপক মহাপাত্ৰ, গাণনিক বিষয়া, আছটিচি'ৰ ডিভিজনেল সুপাৰিন্টেণ্ডেণ্টৰ কাৰ্যালয়, যোৰহাট, প'ষ্ট আৰু জিলা: যোৰহাট, অসম, পিন-৭৮৫০০১।

৭. অসম চৰকাৰ, প্ৰতিনিধি: কমিশনাৰ আৰু সচিব , অসম চৰকাৰৰ পৰিবহন বিভাগ , দিছপুৰ, গুৱাহাটী-৬।

৮. শ্ৰী অভিজিত  সাহা, প্ৰয়াত অজিত কুমাৰ সাৰ পুত্ৰ , অশ্বিনী ট্ৰেড চেণ্টাৰ, কদমতল, বৰপেটা ৰোড, পিন-৭৮১৩১৫।

৯. শ্ৰী সুজিত ৰয় , প্ৰয়াত প্ৰনেশ ৰয়ৰ পুত্ৰ , হাউছ নম্বৰ-৩৩, বাইলেন নম্বৰ-৬, জয়মতী নগৰ, জলুকবাৰী, পাণ্ডু, গুৱাহাটী-৭৮১১০২।

১০. মিছ. শ্বেতা পাৰিক , প্ৰয়াত পৱন এম পাৰিকৰ কন্যা , মাৰফৎ- সাধন দে , হাউছ নম্বৰ-১১, নতুন বস্তি, আৰ্যনগৰ, গুৱাহাটী-১৬।

১১. মিছ. তনৱি বয়ৰাগী , শ্ৰী প্ৰণৱ চন্দ্ৰ বয়ৰাগীৰ কন্যা  , স্বস্তিক, হাউছ নম্বৰ-৩৩, যুৰণি পথ, ৰুকমিনীগাঁও, ডাকঘৰ: খানাপাৰা, গুৱাহাটী-৭৮১০২২।

১২. শ্ৰী দীপ জ্যোতি বৈশ্য ,  নয়নজ্যোতি বৈশ্যৰ পুত্ৰ , জলুকবাৰী, লংকেশ্বৰ, ডাকঘৰ: গুৱাহাটী বিশ্ববিদ্যালয়, পিন-৭৮১০১৪।

১৩. শ্ৰী ৰাজীব মেধি, লেট. কালিচৰণ মেধিৰ পুত্ৰ, ৱাৰ্ড নম্বৰ-৩, ধেমাজি চাৰিআলি, ডাকঘৰ আৰু জিলা: ধেমাজি, পিন-৭৮৭০৫৭।

১৪. মুঃ আহমেদ শাকিৰ, নুমান আহমেদৰ পুত্ৰ, হাউছ নম্বৰ-৩, পি এন জি বি ৰোড, মছজিদ পথ, শান্তিপুৰ, হিলচাইড পশ্চিম, গুৱাহাটী-৭৮১০০৯।

আবেদনকাৰীৰ অধিবক্তা: মিঃ এ. অধিকাৰী

উত্তৰদাতাৰ অধিবক্তা: ----

**মহামান্য ন্যায়াধীশ সঞ্জয় কুমাৰ মেধি**

ৰায়

তাৰিখ- ২৩/০৪/২০২৪

৪ জন আবেদনকাৰীয়ে একত্রিত হৈ এই আবেদন ভাৰতৰ সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ অধীনত দাখিল কৰিছে **।** ২০১৪ চনৰ ১৩ ডিচেম্বৰত অসম ট্ৰিবিউন কাকতত প্ৰকাশ পোৱা এটা বিজ্ঞাপনক প্ৰত্যাহ্বান জনাইছে এই আবেদনকাৰীসকলে। অসম ৰাজ্যিক পৰিবহণ নিগমৰ এই বিজ্ঞাপন একাউণ্ট অফিচাৰৰ বাবে ৭টা পদকে ধৰি কেইবাটাও পদত নিযুক্তিৰ বাবে দিয়া হৈছিল।

(২) আবেদনকাৰীসকলে অসম ৰাজ্যিক পৰিবহণ নিগম (এ এছ টি চি)ত বিভাগীয় একাউণ্টেণ্ট হিচাপে নিযুক্তি লাভ কৰিছিল। তেওঁলোকে দাবী কৰে যে এই পদটো হৈছে "ফিডাৰ কেডাৰ ," অৰ্থাৎ ই গাণনিক বিষয়াৰ ভূমিকালৈ পদোন্নতিৰ বাবে পূৰ্বচৰ্ত। খালী হোৱা গাণনিক বিষয়াৰ পদ পূৰণৰ বাবে নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হয় আৰু আবেদনকাৰীসকলক অন্যান্য যোগ্য প্ৰাৰ্থীৰ সৈতে ২০১৪ চনৰ ৩১ জুলাইত অনুষ্ঠিত হ ’বলগীয়া দুখন প্ৰশ্নকাকতেৰে গঠিত লিখিত পৰীক্ষা দিবলৈ নিৰ্দেশ দিয়া হয়। আবেদনকাৰীকে ধৰি কোনো প্ৰাৰ্থীয়ে লিখিত পৰীক্ষাত অংশগ্ৰহণ কৰা নাছিল আৰু আবেদনকাৰীসকলে যুক্তি আগবঢ়ায় যে নিযুক্তি প্ৰক্ৰিয়া বন্ধ কৰা হৈছিল। ২০১৪ চনৰ ৭ জুলাইত আবেদনকাৰীসকলে আনুষ্ঠানিক অনুৰোধ দাখিল কৰে , য'ত তেওঁলোকৰ জ্যেষ্ঠতাৰ ওপৰত ভিত্তি কৰি গাণনিক বিষয়ালৈ পদোন্নতিৰ কথা বিবেচনা কৰিবলৈ অনুৰোধ জনোৱা হয়। আবেদনকাৰীসকলৰ পদোন্নতিৰ অনুৰোধক সম্বোধন কৰাৰ পৰিৱৰ্তে এটা বিজ্ঞাপন প্ৰকাশ কৰা হৈছিল, য'ত ঘোষণা কৰা হৈছিল যে প্ৰত্যক্ষ নিযুক্তিৰ জৰিয়তে গাণনিক বিষয়াৰ ৭টা পদ পূৰণ কৰা হ’ব আৰু ইয়াত নিৰ্দিষ্ট কৰা হৈছিল যে পদটোৰ বাবে প্ৰয়োজনীয় নূন্যতম অৰ্হতা চাৰ্টাৰ্ড একাউণ্টেণ্ট।

(৩) আবেদনকাৰীসকলৰ বিদ্বান অধিবক্তা শ্ৰী এছ কে সিংহৰ যুক্তি শুনিছো। মই উত্তৰদাতা এ এছ টি চিৰ বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী জি এন চাহেৱাল্লাৰ (অধিবক্তা জি.ডুগলৰ সহযোগত) যুক্তিও শুনিছো।

(৪) আবেদনকাৰীসকলৰ অধিবক্তা শ্ৰী সিংহাই যুক্তি আগবঢ়ায় যে পূৰ্বতে এই পদৰ বাবে ফিডাৰ কেডাৰত থকা বিভাগীয় একাউন্টেন্টসকলৰ জ্যেষ্ঠতা বিবেচনা কৰি গাণনিক বিষয়াৰ পদ পদোন্নতিৰ জৰিয়তে পূৰণ কৰা হৈছিল। অৱশ্যে ২০১৪ চনত জ্যেষ্ঠতাৰ ওপৰত ভিত্তি কৰি এই পদোন্নতি প্ৰক্ৰিয়া পালন কৰা নহ 'ল। ইয়াৰ পৰিৱৰ্তে ২০১৪ চনৰ ৩০ জুন তাৰিখৰ অধিসূচনা অনুসৰি লিখিত পৰীক্ষাৰ পৰিকল্পনা কৰা হৈছিল। লিখিত পৰীক্ষাৰ পৰিকল্পনা সফল নহ 'ল আৰু বাতিল কৰা হ'ল। গতিকে আবেদনকাৰীসকলৰ মতে ফিডাৰ কেডাৰৰ পৰা তেওঁলোকৰ জ্যেষ্ঠতাৰ ওপৰত ভিত্তি কৰি নিগমে তেওঁলোকক পদোন্নতি দিয়াৰ কথা চিন্তা কৰিব লাগিছিল । শ্ৰী সিংহাই আদালতক এই কথাও জনাইছে যে , ইয়াৰ মাজতে আবেদনকাৰীসকলে চুপাৰ এনুৱেশ্যনৰ বয়স (অৱসৰৰ বয়স) হোৱাৰ পিছত চাকৰিৰ পৰা অৱসৰ লৈছে।

(৫) ইয়াৰ বিপৰীতে অসম ৰাজ্যিক পৰিবহণ নিগমক প্ৰতিনিধিত্ব কৰা জ্যেষ্ঠ অধিবক্তা শ্ৰী সাহেৱাল্লাই যুক্তি দিছিল যে একাউন্ট অফিচাৰৰ পদ কেনেকৈ পূৰণ কৰিব লাগে তাৰ কোনো নিৰ্দিষ্ট নিয়ম নাই। তেওঁ স্বীকাৰ কৰে যে নিগমে আবেদনকাৰীকে ধৰি সেই বিভাগত কৰ্মৰত প্ৰাৰ্থীসকলৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত কৰিবলৈ চেষ্টা কৰিছিল যদিও যিহেতু আবেদনকাৰীসকলে অংশগ্ৰহণ নকৰাটো বাছি লৈছিল , সেয়েহে তেওঁ যুক্তি আগবঢ়ায় যে তেওঁলোকক গাণনিক বিষয়াৰ পদৰ বাবে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ উচিত সুযোগ দিয়া হৈছিল। তেওঁ লগতে কয় যে যিহেতু ২০১৪ চনৰ ৩০ জুনৰ অধিসূচনাৰ দ্বাৰা আৰম্ভ কৰা প্ৰক্ৰিয়াটো কামত নাহিল, সেয়েহে নিগমে প্ৰত্যক্ষ নিযুক্তিৰ জৰিয়তে ৭টা একাউন্ট অফিচাৰৰ পদ

পূৰণ কৰে। তেওঁলোকে সেই পদকেইটাৰ তাৎপৰ্য্য বিবেচনা কৰি চাৰ্টাৰ্ড একাউন্টেন্ট হিচাপে নূন্যতম অৰ্হতা নিৰ্ধাৰণ কৰে। তেওঁ আৰু কয় যে, সেই সময়ত নিগমৰ আৰ্থিক অৱস্থাৰ দুৰ্বলতাৰ বাবে দক্ষ প্ৰাৰ্থী নিৰ্বাচন কৰাটো নিশ্চিত কৰিবলৈ এই নিযুক্তি প্ৰক্ৰিয়া গ্ৰহণ কৰাটো প্ৰয়োজনীয় আছিল। শেষত তেওঁ যুক্তি আগবঢ়ায় যে এই গোচৰত আবেদনকাৰীসকলে কোনো ধৰণৰ সকাহ বা প্ৰতিকাৰৰ অধিকাৰী নহয়|

(৬) গোচৰটোৰ দুয়োপক্ষৰ বিৰোধী যুক্তিসমূহ পুংখানুপুংখভাৱে পৰ্যালোচনা কৰা হৈছে। আদালতত দাখিল কৰা প্ৰমাণ আৰু নথি-পত্ৰসমূহ ভালদৰে পৰীক্ষা কৰা হৈছে।

(৭) সেই সময়ত একাউণ্ট বিষয়াৰ পদ পূৰণৰ বাবে কোনো নিৰ্ধাৰিত নিয়ম নাছিল বুলি কোনো বিতৰ্ক নাই। এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আদালতৰ গুৰুত্ব দিবলগীয়া বিষয়টো হৈছে গাণনিক বিষয়াৰ পদৰ খালী পদসমূহ ন্যায্য আৰু স্বচ্ছভাৱে পূৰণ কৰা হৈছিল নে নাই সেইটো নিৰ্ণয় কৰা| প্ৰথম অৱস্থাত নিগমে ২০১৪ চনৰ ৩০ জুন তাৰিখৰ অধিসূচনা অনুসৰি বিভাগীয় একাউন্টেন্ট কেডাৰৰ পৰা বিভাগত কৰ্মৰত প্ৰাৰ্থীৰ বাবে লিখিত পৰীক্ষাৰ আয়োজন কৰি গাণনিক বিষয়াৰ পদ পূৰণ কৰাৰ চেষ্টা কৰিছিল। কিন্তু আবেদনকাৰী বা আন কোনো প্ৰাৰ্থীও হাজিৰ হোৱা নাছিল আৰু উক্ত প্ৰক্ৰিয়াত ব্যৰ্থ হ'লেহে নিগমে প্ৰত্যক্ষ নিযুক্তিৰ জৰিয়তে একাউণ্ট বিষয়াৰ ৭টা খালী পদ পূৰণ কৰাৰ আশ্ৰয় গ্ৰহণ কৰিছিল বুলি কোনো বিতৰ্ক নাই। এই পদসমূহ পূৰণৰ বাবে প্ৰত্যক্ষ নিযুক্তি ব্যৱহাৰ কৰাৰ সিদ্ধান্ত উপযুক্ত আছিল বুলি আদালতে বিশ্বাস কৰে , বিশেষকৈ যিহেতু সেই সময়ত এই প্ৰক্ৰিয়া নিয়ন্ত্ৰণ কৰা কোনো নিয়ম নাছিল। আদালতে এই কথাও লক্ষ্য কৰিছে যে তাৰ পিছত চাৰিওজন আবেদনকাৰীয়ে নিজৰ পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছে।

(৮) ভালদৰে বিবেচনা কৰাৰ অন্তত আদালতে সিদ্ধান্ত লৈছে যে আবেদনকাৰীসকল কোনো ধৰণৰ সকাহ বা প্ৰতিকাৰৰ অধিকাৰী নহয়। ফলত আদালতে লেখ আবেদন খাৰিজ কৰিছে , অৰ্থাৎ আবেদনকাৰীসকলৰ আইনী হস্তক্ষেপ বা প্ৰতিকাৰৰ বাবে কৰা অনুৰোধ নাকচ কৰা হৈছে।

ন্যায়াধীশ

মোকাবিলা সহায়ক

অনুবাদ- শ্ৰী মৃণাল কুমাৰ ভট্টাচাৰ্য্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়